# NSD NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 20-05-2024
**Time :** 19-10 Hrs.

**Assamese Evening Bulletin**
**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::**

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণৰ সামৰণি পৰিছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বিয়লি ৫ বজালৈকে দেশত সামগ্ৰিকভাৱে ৫৬ দশমিক ৬-৮ শতাংশ ভোটদান সম্পন্ন হয়।

২। লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী দুটা পৰ্যায়ৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৩। ভাৰতে ইৰাণৰ ৰাষ্ট্ৰপতি ডঃ চয়িদ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী হুছেইন আমীৰ আব্দুল্লাহিয়ানৰ মৃত্যুত সন্মান জনাই কাইলৈ এদিনীয়া ৰাষ্ট্ৰীয় শোক পালনৰ কথা ঘোষণা কৰিছে।

৪। চত্তিশগড়ত এটা পথ দুৰ্ঘটনাত ১৪ গৰাকী মহিলাকে ধৰি ১৫ জন লোকৰ মৃত্যু হৈছে। ***আৰু***

৫। ভাৰতৰ দিপ্তী জীৱনজীয়ে জাপানৰ ক'বেত অনুষ্ঠিত পেৰা এথলেটিকছ্ বিশ্ব চেম্পিয়নশ্বিপ-২০২৪ত আজি মহিলাৰ ৪০০ মিটাৰ T20 শাখাত সোণৰ পদক অৰ্জনৰ লগতে বিশ্ব অভিলেখ গঢ়িছে।

০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণ আজি সন্ধিয়া ৬ বজাত সামৰণি পৰে। এই পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হয়। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি বিয়লি ৫ বজালৈকে সামগ্ৰিকভাৱে ৫৬ দশমিক ৬-৮ শতাংশ ভোটদান সম্পন্ন হয়। উত্তৰ প্ৰদেশত প্ৰায় ৫৬ শতাংশ, মহাৰাষ্ট্ৰত ৪৯, পশ্চিমবঙ্গত ৭৩, ওড়িশাত ৬১ আৰু বিহাৰত ৫২, ঝাৰখণ্ডত ৬২ আৰু জম্মু-কাশ্মীৰ তথা লাডাখত ৫৪ শতাংশ ভোটদান সম্পন্ন হোৱাৰ বাতৰি পোৱা গৈছে। উল্লেখযোগ্য যে পঞ্চম পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩ টা, পশ্চিমবংগৰ সাতটা, ওড়িশা আৰু বিহাৰৰ ৫ টাকৈ, ঝাৰখণ্ডৰ তিনিটা আৰু জম্মু-কাশ্মীৰ তথা লাডাখৰ এটাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হৈছে। এই পৰ্যায়ত ৬৯৫ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

এই পৰ্য্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, পীয়ুষ গোৱেল, স্মৃতি ইৰাণী, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, কে এল শৰ্মা, নেচনেল কনফাৰেন্সৰ ওমৰ আব্দুল্লা আৰু এল জে পি ৰামবিলাস পাছোৱানৰ চিৰাগ পাছোৱান অন্যতম।

০০০০

লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী দুটা পৰ্যায়ৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। জ্যেষ্ঠ ৰাজনৈতিক নেতাসকলে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভা, ৰোড শ্ব' আদিৰে ভোটদাতাসকলক আকৰ্ষণ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি পশ্চিমবংগৰ ঝাৰগ্ৰামত এটা ৰেলীত অংশ লয়। ইয়াৰ পূৰ্বে তেওঁ ওড়িশাৰ আংগুল আৰু কটকত দুখন জনসভা সম্বোধন কৰে। শ্ৰীমোদীয়ে কয় যে, কটক হৈছে ভাৰতৰ এখন পূৰণি চহৰ আৰু আধুনিক শিক্ষাৰ কেন্দ্ৰ। তেওঁ ৰাজ্যখনত বিজেপি শাসনলৈ আহিলে ধানৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২ হেজাৰ ২০০ টকাৰ পৰা ৩ হেজাৰ এশ টকালৈ বৃদ্ধি কৰিব বুলি আশ্বাস প্ৰদান কৰে। তেওঁ কয় যে, ওড়িশা প্ৰাকৃতিক সম্পদেৰে চহকী হোৱাৰ পাছতো ৰাজ্যখনৰ জনসাধাৰণ দৰিদ্ৰতাৰ সৈতে সহবাস কৰিবলগীয়া হৈছে। আনহাতে, বিজু জনতা দল অৰ্থাৎ বিজেডিৰ শাসনত ওড়িশাৰ প্ৰাকৃতিক সম্পদ তথা সংস্কৃতি নিৰাপদ নহয় বুলি অভিযোগ তুলি প্ৰধানমন্ত্ৰীয়ে নবীন পাটনায়কৰ চৰকাৰখনক ২৪ বছৰীয়া শাসনকালত কৃষক আৰু যুৱ চামৰ বাবে কল্যাণকামী পদক্ষেপ গ্ৰহণ নকৰাৰ বাবে সমালোচনা কৰে। তেওঁ ৰাজ্যখনক সমৃদ্ধিৰ দিশত আগবঢ়াই নিয়াৰ বাবে জনসাধাৰণক চৰকাৰ পৰিৱৰ্তন কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে আজি পুৱা পুৰী চহৰত এটা ৰোড শ্ব'তো অংশ লয়। ওড়িশাৰ মুখ্যমন্ত্ৰী তথা বিজেডিৰ সভাপতি নবীন পাটনায়কেও আজি সন্ধিয়া এটা বিশাল ৰোড শ্ব' আৰু কেইবাখনো জনসভাত অংশ লয়।

ইপিনে, জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে আজি হাৰিয়ানাৰ কাৰ্ণাল আৰু হিচাৰত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীশ্বাহে কয় যে, নৰেন্দ্ৰ মোদী চৰকাৰে কৃষি খণ্ডত পৰিৱৰ্তনৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ উল্লেখ কৰে যে কংগ্ৰেছ চৰকাৰৰ শাসনকালত কৃষকৰ বাবে ২২ হাজাৰ কোটি টকাৰ বাজেটত অনুমোদন জনোৱা হৈছিল, ইয়াৰ বিপৰীতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১০ বছৰত এই বাজেট এক লাখ ২৫ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰে।

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা যোগী আদিত্য নাথে চণ্ডিগড়ৰ এটা ৰেলীত ভাগ লয়। আনহাতে, সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱে উত্তৰ প্ৰদেশৰ দুমৰীয়াগঞ্জ আৰু সন্ত কবিৰ নগৰত জনসভা সম্বোধন কৰে। শ্ৰীযাদৱে আন এন ডি আই মিত্ৰজোট শাসনলৈ আহিলে ৩০ লাখ যুৱক-যুৱতীক নিয়োগৰ সুবিধা প্ৰদান কৰাৰ লগতে অগ্নিবীৰ আঁচনিখন বন্ধ কৰাৰ বাবে কাম কৰিব বুলি জনসাধাৰণক আশ্বাস দিয়ে।

০০০০

ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতোল্লা আলী খামেনিয়ে উপৰাষ্ট্ৰপতি মহম্মদ মুখবৰক দেশখনৰ কাৰ্যবাহী ৰাষ্ট্ৰপতি হিচাপে নিয়োগ কৰিছে। ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহীম ৰাইছিৰ হেলিকপ্তাৰ দুৰ্ঘটনাত মৃত্যু হোৱাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। খামেনিয়ে লগতে ৰাষ্ট্ৰপতিগৰাকীৰ মৃত্যুত ৫ দিনীয়া ৰাষ্ট্ৰীয় শোক পালনৰ নিৰ্দেশ দিয়ে। প্ৰ'টকল অনুসৰি দেশখনত ৫০ দিনৰ ভিতৰত নতুনকৈ নিৰ্বাচন অনুষ্ঠিত হ'ব।

ইফালে, ভাৰতে ইৰাণৰ ৰাষ্ট্ৰপতি ডঃ চয়িদ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী হুছেইন আমীৰ আব্দুল্লাহিয়ানৰ মৃত্যুত সন্মান জনাই কাইলৈ এদিনীয়া ৰাষ্ট্ৰীয় শোক পালনৰ কথা ঘোষণা কৰিছে। এই অনুসাৰে সমগ্ৰ দেশতে নিয়মীয়াকৈ ৰাষ্ট্ৰীয় পতাকা উৰি থকা ভৱনসমূহত কাইলৈ ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব। লগতে কাইলৈৰ দিনটোত কোনো ধৰণৰ আনুষ্ঠানিক মনোৰঞ্জনমূলক কাৰ্যসূচী পালন কৰা নহ'ব।

০০০০

চত্তিশগড়ত এটা পথ দুৰ্ঘটনাত ১৪ গৰাকী মহিলাকে ধৰি ১৫ জন লোকৰ মৃত্যু হৈছে। ৰাজ্যখনৰ কুকদুৰ আৰক্ষী চকীৰ অন্তৰ্গত  কবিৰধাম জিলাত এখন বাহনে নিয়ন্ত্ৰণ হেৰুৱাই বাহপানী গাওঁৰ সমীপৰ খাৰৈত বাগৰি পৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। বাহনখনত মুঠ ২৫ জন লোক আছিল আৰু তেওঁলোকে হাবীৰ পৰা তেন্দু গছৰ পাত চিঙি নিজৰ গাওঁ অভিমুখে গৈ আছিল। দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত ৮ জন লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুয়ে মৃত লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আঘাতপ্ৰাপ্ত লোকসকলৰ আশু আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে স্থানীয় প্ৰশাসনে দুৰ্ঘটনাগ্ৰস্ত লোকসকলৰ সহায়ৰ বাবে যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

গুজৰাট এণ্টি টেৰোৰিষ্ট স্কোৱাদ, এ টি এছে আহমেদাবাদৰ চৰ্দাৰ বল্লভ ভাই পেটেল আন্তৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা ৪টা সন্ত্ৰাসবাদীক আটক কৰিছে। স্থানীয় কৰ্তৃপক্ষই জনোৱা মতে, আটক কৰা আটাইকেইটা সন্ত্ৰাসবাদী শ্ৰীলংকাৰ বাসিন্দা হোৱাৰ লগতে ইছলামিক ষ্টেটৰ সৈতে জড়িত হৈ আছিল। সন্ত্ৰাসবাদী কেইটাই শ্ৰীলংকাৰ পৰা চেন্নাই হৈ আহমেদাবাদলৈ আহিছিল। এ টি এছে সম্প্ৰতি সন্ত্ৰাসবাদীকেইটাক সোধ পোচ অব্যাহত ৰাখিছে। প্ৰাৰম্ভিক তদন্তত জানিব পৰা মতে, সন্ত্ৰাসবাদী কেইটাই পাকিস্তানৰ পৰা আদেশৰ অপেক্ষাত আছিল।

চৰকাৰী সূত্ৰত প্ৰকাশ পোৱা মতে, গুজৰাট এ টি এছে মহম্মদ নুছৰত, মহম্মদ নাফৰীণ, মহম্মদ ফাৰিছ, মহম্মদ ৰাছদিন নামৰ শ্ৰীলংকাৰ ৪ জন বাসিন্দাৰ তথ্য লাভ কৰিছিল। তথ্য অনুসৰি আটাইকেইজনে নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী সংগঠন ইছলামিক ষ্টেটৰ সক্ৰিয় সদস্য। এ টি এছৰ তদন্তত সন্ত্ৰাসবাদী কেইটাই ইছলামিক ষ্টেটৰ সদস্য তথা আবু বকৰ অল বাঘদাদিৰ অনুগামী বুলি প্ৰকাশ কৰে। গুজৰাট এ টি এছে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত এটা গোচৰ ৰুজু কৰিছে।

০০০০

ভাৰতৰ দিপ্তী জীৱনজীয়ে জাপানৰ ক'বেত অনুষ্ঠিত পেৰা এথলেটিকছ বিশ্ব চেম্পিয়নশ্বিপ-২০২৪ত আজি মহিলাৰ ৪০০ মিটাৰ  T20 শাখাত সোণৰ পদক অৰ্জনৰ লগতে বিশ্ব অভিলেখ গঢ়িছে। দিপ্তীয়ে ৫৫ দশমিক ০-৭ ছেকেণ্ডেৰে আমেৰিকাৰ ব্ৰিয়ানা ক্লাৰ্কৰ পূৰ্বৰ ৫৫ দশমিক ১-২ ছেকেণ্ডৰ বিশ্ব অভিলেখ ভংগ কৰে।

আনহাতে ভাৰতৰ য়োগেশ কাথুনিয়াই পুৰুষৰ ডিস্কাছ থ্ৰ' F56 শাখাৰ ফাইনেলত ৰূপৰ পদক অৰ্জন কৰিছে। ইপিনে কালি ভাৰতৰ নিছাদ কুমাৰে হাই জাম্পত ৰূপৰ পদক আৰু প্ৰীতি পলে মহিলাৰ ২০০ মিটাৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। নিছাদ কুমাৰে পুৰুষৰ হাই জাম্প T47 শাখাত ফাইনেলত এক দশমিক ৯-৯ মিটাৰৰ আকৰ্ষণীয় প্ৰদৰ্শনেৰে ৰূপৰ পদক অৰ্জন কৰে। আনহাতে প্ৰীতি পলে মহিলাৰ ২০০ মিটাৰ T35 শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে।

উল্লেখযোগ্য যে, পেৰিছ ২০২৪ পেৰা অলিম্পিক গেমছৰ কোৱালিফায়াৰৰ বাবে পূব এছিয়াত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা ক'বে ২০২৪ পেৰা এথলেটিকছ বিশ্ব চেম্পিয়নশ্বিপ অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

০০০০

ভাৰতীয় মিক্সড দলটোৱে থাইলেণ্ডৰ বেংককত অনুষ্ঠিত এছিয়ান এথলেটিক ৰীলে চেম্পিয়নশ্বিপ ২০২৪ৰ 4x400 মিটাৰ শাখাত ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰিছে। মহম্মদ আজমল, জ্যোতিকাশ্ৰী, অমোজ জেকব আৰু সুভা ভেংকটেচনেৰে গঠিত ভাৰতীয় দলটোৱে এই শাখাত সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে শ্ৰীলংকাই ৰূপৰ আৰু ভিয়েটনামে ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত বৰ্ষৰ সংস্কৰণৰ প্লেঅফ পৰ্যায়ৰ খেল কাইলৈৰ পৰা আৰম্ভ হব। কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ-কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

আনহাতে, একেই ষ্টেডিয়ামতে বুধবাৰে ৰাজস্থান ৰয়েলছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু এলিমিনেটৰ খেলত মুখামুখি হ'ব। চেন্নাইৰ এম চিদাম্বৰম ষ্টেডিয়ামত ২৪ মে'ত দ্বিতীয়খন কোৱালিফায়াৰ আৰু ২৬ মে'ত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০

সমাপ্ত